# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-MAR-2026

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনত ১২৬টা সমষ্টিৰ বাবে ৮১৮ জন প্ৰতিদ্বন্দ্বীৰ এহেজাৰ ৩৯১ খন মনোনয়ন দাখিল।

২। মনোনয়ন দাখিলৰ সমান্তৰালভাৱে শাসক-বিৰোধীৰ প্ৰচাৰৰ চমক।

৩। ভোটদানৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে নিৰ্বাচন আয়োগৰ **ছুইপ** কাৰ্যসূচীৰ অধীনত বিশেষ ব্যৱস্থা। বিভিন্ন জিলাত শুভংকৰ মুকলি।

৪। দূৰদৰ্শন আৰু আকাশবাণীত বিনামুলীয়া সম্প্ৰচাৰৰ বাবে ৰাজনৈতিক দলসমূহক ডিজিটেল ভাউচাৰ আৱণ্টনৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা। **আৰু**

৫। ওড়িশাৰ ভূৱনেশ্বৰত আজি ৰাষ্ট্ৰীয় ইনড'ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপছৰ উদ্বোধনী সংস্কৰণ।

oooooo

বিধানসভা নিৰ্বাচনত ১২৬টা সমষ্টিৰ বাবে ৮১৮ জন প্ৰতিদ্বন্দ্বীয়ে এহেজাৰ ৩৯১ খন মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ কালি শেষৰ দিনা বিভিন্ন জিলাত ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে দলীয় সতীৰ্থৰ উপস্থিতিত সমদল উলিয়াই জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি **বোকাখাত** সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী অগপৰ অতুল বৰাৰ মনোনয়নৰ সময়ত উপস্থিত থাকে। ইয়াৰ পাছত বিজেপি নেতাগৰাকীয়ে নগাঁৱত মিত্ৰদল অসম গণ পৰিষদৰ **কলিয়াবৰ** সমষ্টিৰ প্ৰাৰ্থী কেশৱ মহন্তৰ মনোনয়ন দাখিলতো সংগ দিয়ে।

**গোলাঘাট** জিলাত ৫টা বিধানসভা সমষ্টিৰ বাবে মুঠ ১৯ গৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। ইয়াৰ ভিতৰত কংগ্ৰেছৰ বিতোপন শইকীয়া আৰু ৰ'জলীনা তিৰ্কী, নিৰ্দলীয় ৰুবুল বৰা, বিজেপিৰ খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া আৰু মৃদুল দত্ত, আপৰ আশিস হাজৰিকাৰ নাম উল্লেখযোগ্য।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়েও কালি **যোৰহাটত** মনোনয়ন পত্ৰ দাখিল কৰে। অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে তেওঁক সংগ দিয়ে। জিলাখনত কালি ১৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

**ডিব্ৰুগড়**ৰ ৬টা বিধানসভা সমষ্টিত কালি ২৪ জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জ্যেষ্ঠ বিজেপি নেতা আৰু মন্ত্ৰী বিমল বৰাক মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰাক্তন সাংসদ ৰামেশ্বৰ তেলীয়ে সংগ দিয়ে। তেলীয়ে নিজেও দুলীয়াজান সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰে। নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈক মনোনয়ন দাখিল কৰাৰ সময়ত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংগ দিয়ে। চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত পূৰ্বৰ লাহোৱাল সমষ্টিৰ বিধায়ক বিজেপিৰ বিনোদ হাজৰিকাই মনোনয়ন দাখিল কৰে। সমষ্টিটোত কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰৰ সৈতে বিজেপি প্ৰাৰ্থীগৰাকীৰ পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হ'ব।

**তিনিচুকীয়া**ত ২৭ জন প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। তিনিচুকীয়া সমষ্টিত ৮ জন, নৱগঠিত মাকুম সমষ্টিত ৬ জন, ডিগবৈত ৫ জন, মাৰ্ঘেৰিটা আৰু ডুমডুমাত দুজন আৰু শদিয়াত ৪ জন প্ৰাৰ্থীয়ে ঢোলে-ডগৰে মনোনয়ন দাখিল কৰে।

**ধেমাজিত** কালি মনোনয়ন দাখিলৰ অন্তিম দিনা বিজেপিৰ প্ৰাৰ্থী মন্ত্ৰী ডা০ ৰণোজ পেগু, জীৱন গগৈ আৰু ভুৱন পেগুকে ধৰি সৰ্বমুঠ ১৫ জনে মনোনয়ন দাখিল কৰে। কংগ্ৰেছৰ ৰাজু মেদক, তৃণমূল কংগ্ৰেছৰ নৰেন্দ্ৰ নাথ পাও, নিৰ্দলীয় বাবুল সোণোৱাল আৰু ভোটাৰ্ছ পাৰ্টিৰ ললিত পেগুৱেও কালি মনোনয়ন দাখিল কৰে।

**কাছাৰ** জিলাত সৰ্বমুঠ ৫৬ খন মনোনয়ন পত্ৰ দাখিল কৰা হয়। জিলাখনত মনোনয়নৰ সামগ্ৰিক অৱলোকনৰ সৈতে এয়া আমাৰ সংবাদদাতা আঁখীৰাণী দাস—-

**ভইচকাষ্ট (আঁখীৰাণী দাস)**

**কামৰূপ** মহানগৰ জিলাৰ ৫টা বিধানসভা সমষ্টিৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ মুঠ ২৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জালুকবাৰী সমষ্টিত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিপৰীতে কংগ্ৰেছৰ বিদিশা নেওগ আৰু ভূমি অধিকাৰ পাৰ্টিৰ দিপিকা দাসে প্ৰতিদ্বন্দ্বিতা কৰিছে। মধ্য গুৱাহাটীত বিজেপিৰ বিজয় কুমাৰ গুপ্তা, অসম জাতীয় পৰিষদৰ কুংকী চৌধুৰী, আম আদমী পাৰ্টিৰ অনুৰূপা ডেকা ৰজাকে ধৰি কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। নিউ গুৱাহাটী সমষ্টিত বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মা আৰু কংগ্ৰেছৰ শান্তনু বৰাকে ধৰি ভালেকেইজন প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। একেদৰে দিছপুৰ সমষ্টিত বিজেপিৰ প্ৰদ্যুৎ বৰদলৈ, কংগ্ৰেছ মীৰা বৰঠাকুৰ গোস্বামী, আপৰ বল্লৰ পাত্ৰ লগতে দুগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। জিলাখনত কংগ্ৰেছ প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিলৰ সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক আৰু প্ৰদেশ কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী জীতেন্দ্ৰ সিঙে প্ৰাৰ্থীসকলক সংগ দিয়ে।

**কামৰূপ** জিলাত ৬টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৩৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

**ঢকুৱাখনা**ত বিগত তিনিটা কাৰ্যকালৰ বিধায়ক নৱ কুমাৰ দলেকে ধৰি ৪ গৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে। **লখিমপুৰ** জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে কালি বিজেপি, কংগ্ৰেছ, অসম গণ পৰিষদ আৰু অন্য দলৰ সৰ্বমুঠ ২৬ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। **মৰিগাঁও** জিলাত কালি তিনিটা বিধানসভা সমষ্টিৰ বাবে ১০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ইয়াৰ ফলত জিলাখনত কালি অন্তিম দিনালৈ ১৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিলে। **ডিমা হাচাও** জিলাত মন্ত্ৰী নন্দিতা গাৰ্লোচাই কংগ্ৰেছৰ হৈ কালি মনোনয়ন দাখিল কৰে।

**তামুলপুৰ** জিলাৰ তামুলপুৰ সমষ্টিত কালি সাতগৰাকী আৰু গোৰেশ্বৰ সমষ্টিত ১৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। **দক্ষিণ শালমাৰা মানকাচৰ**ত কালি কংগ্ৰেছ, অসম গণ পৰিষদ আৰু এন পি পিৰ সাতগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। **নলবাৰী** জিলাৰ ৩টা বিধানসভা সমষ্টিৰ বাবে কালি অন্তিম দিনালৈ ১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আলঙৰ দুটা বিধানসভা সমষ্টিৰ বাবে কালি ৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। **চৰাইদেউ** জিলাৰ সোণাৰি আৰু মাহমৰা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন দাখিল কৰে।

ৰাজ্যত মনোনয়ন দাখিলৰ সামগ্ৰিক অৱলোকনৰ সৈতে এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা–

**ভইচকাষ্ট (হেমন্ত বৰা)**

উল্লেখযোগ্য যে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰি বৈধ প্ৰাৰ্থিত্বৰ তালিকা প্ৰকাশ কৰা হ'ব। ২৬ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জালুকবাৰী সমষ্টিত জন আশীৰ্বাদ যাত্ৰা আৰম্ভ কৰে। ড০ শৰ্মাই আজি কিছু সময় পাছতে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ কেইবাটাও স্থানত জন আশীৰ্বাদ যাত্ৰাৰ কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ উপৰি বিজেপিয়ে প্ৰায় ৪০ জন তাৰকা প্ৰচাৰকক লৈ নিৰ্বাচনী প্ৰচাৰ অভিযান চলাব বুলি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ

কৰিছে। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, দলৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা থাকিব বুলি শ্ৰী শইকীয়াই প্ৰকাশ কৰে।

**(বাইট ঃ দিলীপ শইকীয়া)**

একেদৰে কংগ্ৰেছ দলৰ নেতাসকলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা  ৰিপুণ বৰাই কালি বৰছলা বিধানসভা সমষ্টিত প্ৰচাৰ সভাত অংশ লোৱাৰ লগতে সমষ্টিটোৰ ৰাইজৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। দেৱব্ৰত শইকীয়াই কালি নাজিৰাৰ পিয়লিফুকন পঞ্চায়তত নিৰ্বাচন উপলক্ষে দলীয় কৰ্মীসকলৰ সৈতে প্ৰচাৰ অভিযানত অংশ লয়। প্ৰচাৰৰ সময়ত তেওঁ ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহৰ বিষয়ে বুজ লয়। ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে কালি শিৱসাগৰ জিলাৰ গৌৰীসাগৰ ব্লক কংগ্ৰেছৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ সৈতে ৰাজনৈতিক পৰ্যালোচনাত মিলিত হয়।

অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈয়ে কালি খোৱাং সমষ্টিৰ বগীবিল পঞ্চায়তত ৰাইজৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০০

ভোটদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত ৰাজ্যত এলানি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে নাগৰিকসকলৰ মাজত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি দায়বদ্ধতা সৃষ্টি কৰিবলৈ অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ তত্বাৱধানত জিলাই জিলাই ভোটদাতাৰ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশ হিচাপে বাটৰ নাট, চিত্ৰাংকন প্ৰতিযোগিতা, আল্পনা প্ৰতিযোগিতা, শ্লোগান লিখন, দেৱাল লিখন, বাতৰি পৰিৱেশন আৰু পোষ্টাৰ প্ৰস্তুতকৰণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাত ভোটদাতাসকলক আকৰ্ষণৰ বাবে শুভংকৰ মুকলি কৰাৰ উপৰি জনপ্ৰিয় ব্যক্তিত্বক আইকন হিচাপে লৈ সজাগতা সৃষ্টি কৰা হৈছে। লখিমপুৰ জিলাত শুভংকৰ **বাখৰ** , শোণিতপুৰত **গণবন্ধু**, যোৰহাটত **যোলৌ**, গোলাঘাটত **চামেলি** আৰু কোকৰাঝাৰৰ শুভংকৰ **ডিমলু আৰু চিখিৰি**য়ে জসাধাৰণক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। যোৰহাটত অভিনৱ বৰাক আৰু লখিমপুৰত ৰাজীৱ দুৱৰীক ছুইপ আইকন হিচাপে লোৱা হৈছে। ইয়াৰ লগতে বিশ্ব জলদিৱসৰ সৈতে সংগতি ৰাখি যোৱা ২২ মাৰ্চত ৰাজ্যজুৰি জল সজাগতা আৰু ভোটদাতাৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। নিৰ্বাচনৰ ৰাজ্যিক আইকন পেৰাচাইক্লিষ্ট ৰাকেশ বনিকে জিলাসমূহত আয়োজন কৰা বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই কাৰ্যসূচীসমূহৰ প্ৰতি জনসাধাৰণৰ উৎসাহলৈ লক্ষ্য ৰাখি ভোটদানৰ হাৰ পূৰ্বতকৈ বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে। তেওঁ সকলোকে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়।

০০০০০০

নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দূৰদৰ্শন আৰু আকাশবাণীত বিনামুলীয়া সম্প্ৰচাৰৰ বাবে ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহক ডিজিটেল ভাউচাৰ আৱণ্টন দি নিৰ্দেশনা জাৰি কৰিছে। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ক ধাৰাৰ অধীনত অসম, কেৰলাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ নিৰ্বাচনৰ বাবে এই নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি নিৰ্বাচন হ'বলগীয়া ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলক সম্প্ৰচাৰৰ বাবে নিৰ্দিষ্ট সময়ৰ ডিজিটেল ভাউচাৰ প্ৰদান কৰা হৈছে। এই ব্যৱস্থাৰ অধীনত প্ৰতিটো দলক দূৰদৰ্শন আৰু আকাশবাণীত বিনামুলীয়াকৈ ৪৫ মিনিটতকৈ প্ৰচাৰৰ বাবে নিৰ্ধাৰিত সময় দিয়া হৈছে। পূৰ্বৰ বিধানসভা নিৰ্বাচনত ৰাজনৈতিক দলসমূহৰ ফলাফলৰ ওপৰত ভিত্তি কৰি অতিৰিক্ত সময়ো আৱণ্টন দিয়া হৈছে। দলীয় সম্প্ৰচাৰৰ উপৰি দূৰদৰ্শন আৰু আকাশবাণীত দুটাকৈ আলোচনাৰ অনুষ্ঠান অনুষ্ঠিত হ'ব।

প্ৰতিটো ৰাজনৈতিক দলে এই কাৰ্যসূচীৰ বাবে এজনকৈ প্ৰতিনিধি মনোনীত কৰিব পাৰিব। এগৰাকী অনুমোদিত সমন্বয়কে অনুষ্ঠান পৰিচালনা কৰিব। প্ৰাৰ্থী তালিকাৰ প্ৰকাশৰ পৰা ভোটদানৰ দুদিন আগলৈকে এই সম্প্ৰচাৰ কৰিব পৰা যাব। সম্প্ৰচাৰৰ সময়সূচী ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি আৰু মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ বিষয়াসকলৰ উপস্থিতিত লটাৰীৰ জৰিয়তে আগতীয়াকৈ নিৰ্ধাৰণ কৰা হ'ব।

oooooo

চোৰাংচোৰাগিৰিৰ অভিযোগত ডিব্ৰুগড় জিলাৰ চাবুৱা বায়ুসেনা বাহিনীৰ চাউনিৰ পৰা কালি সুমিত কুমাৰ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰা হয়। ধৃত সুমিত কুমাৰে ধনৰ বিনিময়ত ভাৰতৰ প্ৰতিৰক্ষা বিভাগৰ স্পৰ্শকাতৰ তথ্য পাকিস্তানক যোগান ধৰাৰ অভিযোগ উত্থাপন হৈছে। তথ্য অনুসৰি সুমিতে যুদ্ধ বিমান আৰু মিছাইল ব্যৱস্থাৰ অৱস্থানৰ লগতে বায়ুসেনা ঘাটিটোৰ বিষয়া-কৰ্মচাৰীৰ তথ্য পাকিস্তানক যোগান ধৰিছিল। উত্তৰপ্ৰদেশৰ বাসিন্দা সুমিতে ডিব্ৰুগড়ৰ বায়ুসেনা ঘাটিত মাল্টি টাস্কিং ষ্টাফ হিচাপে কৰ্মৰত আছিল। যোৱা জানুৱাৰী মাহত ৰাজস্থানৰ জয়ছালমেৰৰ এজন সন্দেহজনক লোকক গ্ৰেপ্তাৰ কৰাৰ পিছতে সুমিত কুমাৰৰ নাম পোহৰলৈ আহে। গ্ৰেপ্তাৰৰ পাছত সুমিত কুমাৰক জেৰাৰ বাবে জয়পুৰলৈ লৈ যোৱা হয়।

oooooo

ওড়িশাৰ ভুৱনেশ্বৰত আজি ৰাষ্ট্ৰীয় ইনড'ৰ এথলেটিকছ চেম্পিয়নশ্বিপছৰ উদ্বোধনী সংস্কৰণ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাই দেশৰ ক্ৰীড়া ইতিহাসত এটা নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। এই দুদিনীয়া ক্ৰীড়া প্ৰতিযোগিতাখনত জ্যেষ্ঠ আৰু ২০ বছৰ অনূৰ্ধ শিতানত ৯৭ গৰাকী মহিলাকে ধৰি মুঠ ২৭৮ গৰাকী ক্ৰীড়াবিদে অংশ ল'ব। দেশৰ ইনড'ৰ এথলেটিকছ ক্ষেত্ৰখনক শক্তিশালী কৰাৰ লগতে আগশাৰীৰ অন্য প্ৰতিযোগিতাসমূহ আৰম্ভ হোৱাৰ পূৰ্বে এই চেম্পিয়নশ্বিপছে দেশৰ খেলুৱৈসকলক এখন মঞ্চ প্ৰদান কৰিব বুলি আয়োজকে আশা প্ৰকাশ কৰিছে। পুৰুষৰ ৩ হাজাৰ মিটাৰ দৌৰেৰে আজি প্ৰতিযোগিতাখনৰ আৰম্ভণি হ'ব।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত নিৰ্বাচন সম্পৰ্কীয় কেতবোৰ খবৰে পৃথক পৃথক শিৰোনাম দখল কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি যোৰহাটত প্ৰায় দহ সহস্ৰাধিক কৰ্মী-সমৰ্থকক লৈ মনোনয়ন পত্ৰ দাখিল কৰা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে.. মধ্যপ্ৰাচ্যৰ যুদ্ধক লৈ দেশবাসীক সতৰ্ক হৈ থাকিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আহ্বান জনাইছে। ধৈৰ্য আৰু সংযমৰ সৈতে আমি শান্ত মনেৰে সন্মুখৰ সকলো প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিব লাগিব বুলি সংসদত প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰা বাতৰিটোক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কালি অসম বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা ৰাজ্যজুৰি প্ৰাৰ্থীসকলে দলে বলে মনোনয়ন দাখিল কৰা বাতৰিটো দৈনিক জনমভূমি কাকতত মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰা হৈছে। আলফা স্বাধীনৰ আক্ৰমণৰ পাছতেই তিনিচুকীয়া জিলাৰ জাগুণত উপস্থিত হৈ ঘটনাস্থলী পৰিদৰ্শন কৰে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে। আমাৰ অসম কাকতে গুৰুত্বসহকাৰে এই বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে। ঢেকিয়াজুলিৰ বৰতলাত সংঘটিত এটা পথ দূৰ্ঘটনাত টিউলিপ চাহ বাগিচাৰ সাতজনকৈ লোকৰ মৃত্যু ঘটা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দি টাইমচ অব ইণ্ডিয়া কাকততো একেটা বাতৰিয়ে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। কালি জালুকবাৰী সমষ্টিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সন্ধিয়াৰ পৰা নিশালৈকে জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰে। বৰষুণৰ বতৰতো পুষ্পবৃষ্টিৰে হাজাৰ হাজাৰ দলীয় কৰ্মী সমৰ্থকৰ আশীষ গ্ৰহণ কৰা এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। পাকিস্তানী চোৰাংচোৰা সংস্থাক গোপন তথ্য যোগানৰ অভিযোগত চাবুৱাৰ বায়ুসেনা ঘাটিত কৰ্মৰত সুমিত কুমাৰক

**গ্ৰেপ্তাৰ কৰা বাতিৰটোৰেও নিয়মীয়া বাৰ্তা কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।**

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, অসম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**